**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-04-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পশ্চিম বংগৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণলৈ ১১ টা দিন বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে।

২। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে উন্নয়ন সামগ্ৰিক অৰ্থত কাৰ্যকৰী হ'লেহে ইয়াক প্ৰকৃতাৰ্থত উন্নয়ন বুলি কব পাৰি।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাৰ বাবে আসন সংৰক্ষণ সংশোধনী বিধেয়কৰ অনুমোদনত সন্মতি জনাবলৈ উভয় সদনৰ সদস্যসকলক আহ্বান জনাইছে।

৪। কিংবদন্তি গায়িকা তথা পদ্মবিভূষণ বঁটাৰে সন্মানিত আশা ভোঁছলেৰ আজি মুম্বাইত দেহাৱসান ঘটে।
*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ চুপাৰ জায়েণ্টছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে আৰু মুম্বাই ইণ্ডিয়ানছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

পশ্চিম বংগৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণলৈ ১১ টা দিন বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে। ৰাজ্যখনৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকল প্ৰচাৰ অভিযানত ব্যস্ত হৈ পৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীকে ধৰি দলটোৰ শীৰ্ষস্থানীয় নেতৃবৰ্গৰ লগতে তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীকে ধৰি ভিন ভিন দলৰ ৰাজনৈতিক নেতাসকলে নিজ দলৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত ভোট আদায় কৰাৰ বাবে জনসাধাৰণক প্ৰভাৱিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে।

ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলে বিভিন্ন স্থানত জনসমাবেশ, ৰোড শ্ব' তথা জনসভা অনুষ্ঠিত কৰাৰ লগতে ঘৰে ঘৰে প্ৰচাৰ অভিযান চলোৱাৰ লেখিয়া কাৰ্যসূচী অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দাৰ্জিলিং আৰু জলপাইগুৰি জিলাৰ বিধানসভা সমষ্টিৰ ১৩গৰাকী দলীয় প্ৰাৰ্থীৰ সমৰ্থনত শিলিগুৰিৰ কাৱাখালিত বৃহৎ পৰিবৰ্তন সংকল্প সমাবেশত অংশগ্ৰহণ কৰাৰ কথা। এই কাৰ্যসূচীত দাৰ্জিলিং, কালিম্পং আৰু জলপাইগুৰি জিলাৰ কেইবাহাজাৰ দলীয় কৰ্মকৰ্তা আৰু সমৰ্থকে ভাগ লোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে বিজেপিয়ে  দাৰ্জিলিং জিলাৰ পাঁচখন, কালিম্পং জিলাৰ এখন আৰু জলপাইগুৰি জিলাৰ ৭খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে। প্ৰধানমন্ত্ৰীৰ এই সমাবেশৰ পৰিপ্ৰেক্ষিত আজি অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। ৰাজ্যখনত অহা ২৩ এপ্ৰিলত প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। অহা ৪ মে'ত ভোটগণনা কৰা হ'ব। শ্ৰীমোডী কালি সন্ধিয়া ভাগত শিলিগুৰিত উপস্থিত

হোৱাৰ পাছত অঞ্চলটোত এটা বিশাল ৰোড শ্ব' আয়োজন কৰা হয়। নেতাগৰাকীয়ে অংশগ্ৰহণ কৰা এই ৰোড শ্ব' বাগডোগৰাৰ বিহাৰ ম'ৰত আৰম্ভ হৈ খাপৰেইল বজাৰ অঞ্চলত সামৰণি পৰে।

একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও আজি বাংকুৰাৰ সোণামুখীৰ লগতে পূব মেদিনীপুৰৰ দুঠাইত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ কথা।

তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়েও আজি পূব বৰ্ধমান, পশ্চিম বৰ্ধমান আৰু বাংকুৰা জিলাৰ কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। হুগলী জিলাৰ খেলপথাৰত আয়োজিত এখন জনসভাত দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে ভাষণ দিব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনৰ চিনচুৰা আৰু সপ্তগ্ৰাম বিধানসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ সমৰ্থনত এই জনসভাৰ আয়োজন কৰা হৈছে।

ooooo

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে উন্নয়ন সামগ্ৰিক অৰ্থত কাৰ্যকৰী হ'লে আৰু ই সকলো শ্ৰেণীৰ লোকক সামৰি লব পাৰিলেহে ইয়াক প্ৰকৃতাৰ্থত উন্নয়ন বুলি কব পাৰি। **বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে জনজাতীয় ভাৰতবৰ্ষৰ সংস্কাৰ সাধন**ক বিষয়বস্তু হিচাপে লৈ নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এটা অনুষ্ঠানত ভাষণ দি তেওঁ এইদৰে মত প্ৰকাশ কৰে। সমগ্ৰ দেশত প্ৰায় ১ লাখ ৪০ হাজাৰ জনজাতীয় গাঁও আছে আৰু এনে গাঁওসমূহত দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় ৯ শতাংশ লোক বসবাস কৰে বুলি উল্লেখ কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰতবৰ্ষৰ জনজাতীয় এলেকাসমূহে সেউজ অৰ্থনীতিৰ উন্নয়নৰ দিশত গুৰুত্বপূৰ্ণ সম্ভাৱনা বহন কৰি আহিছে। আধুনিক বিজ্ঞানে ভাষা, পৰম্পৰাগত বিশ্বাস আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি একেলগে আগবাঢ়ি যায় বুলি মত প্ৰকাশ কৰি শ্ৰীৰাধাকৃষ্ণণে কয় যে ইয়েই ক্ৰমান্বয়ে দেশৰ প্ৰতিটো সম্প্ৰদায়ৰ বাবে সুৰক্ষা তথা সৰলীকৰণৰ হকে এটা শক্তি হিচাপে পৰিগণিত হয়।

**বাইট**

আজিৰ এই অনুষ্ঠানত দিল্লীৰ উপ ৰাজ্যপাল তৰণজিৎ সিং সান্ধুকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

মধ্যপ্ৰদেশৰ দিনদোৰি জিলাত কালি শেষ নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুৱায়। জিলাখনৰ গদাচৰাই থানাৰ অন্তৰ্গত কিক্ৰাতালাব গাঁৱৰ কাষত ৰাষ্ট্ৰীয় ঘাইপথত নিশা প্ৰায় এক বজাত সংঘটিত এই দুৰ্ঘটনাটোত লোককেইজনক কঢ়িয়াই অনা এখন পিক আপ গাড়ীক এখন ট্ৰাকে মহতিয়াই নিয়ে। এই দুৰ্ঘটনাটোত গাড়ীখনৰ চালকজনকে ধৰি ৫ জন লোকৰ থিতাতে মৃত্যু ঘটে। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত আন এজন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ লগতে ট্ৰাকখনৰ চালকজনক গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষী বিভাগে প্ৰকাশ কৰিছে।

ooooo

ভাৰতীয় জনতা পাৰ্টীয়ে অহা ১৬ ৰ পৰা ১৮ এপ্ৰিললৈ হ'বলগীয়া সংসদৰ অধিবেশনত দলটোৰ লোকসভা আৰু ৰাজ্যসভাৰ সকলো সদস্যকে উপস্থিত থাকিবলৈ হুইপ জাৰি কৰিছে। দলটোৰ প্ৰতিগৰাকী সংসদীয় সদস্যই সদনত উপস্থিত থকাটো বাধ্যতামূলক বুলি উল্লেখ কৰি এই সময়ছোৱাত তেওঁলোকৰ বাবে কোনো ধৰণৰ ছুটি মঞ্জুৰ কৰা নহ'ব বুলি প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে মহিলাৰ বাবে আসন সংৰক্ষণ

সংশোধনী বিধেয়কখনৰ প্ৰতি বিশেষভাৱে গুৰুত্ব আৰোপ কৰি ১৬ এপ্ৰিলৰ পৰা সংসদৰ ৩ দিনীয়া বিশেষ অধিবেশন আহ্বান কৰা হৈছে। এখন দলীয় বিজ্ঞপ্তিত বিজেপিৰ প্ৰতিগৰাকী মন্ত্ৰী আৰু সাংসদক এই অধিবেশনত নিশ্চিতভাৱে উপস্থিত থাকিবলৈ  আহ্বান জনোৱা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে কয়, যে তামিলনাডুৰ বিজেপি দলৰ কৰ্মকৰ্তাসকলে ৰাজ্যখনৰ ডি এম কে দলৰ দুৰ্বল প্ৰশাসনিক ব্যৱস্থা প্ৰকট কৰি তুলিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোডীয়ে তামিলনাডুত বিজেপিৰ কৰ্মকৰ্তাসকলক অভিনন্দন জনোৱাৰ লগতে ৰাজ্যখনৰ প্ৰগতিৰ হকে এন ডি এ-য়ে গ্ৰহণ কৰা দৃষ্টিভংগীসমূহৰ ওপৰত আলোকপাত কৰে। শ্ৰীমোডীয়ে কাইলৈ সন্ধিয়াৰ ভাগত অনুষ্ঠিত হ'বলগীয়া **মেৰা বুথ, সবসে মজবুত সংবাদ** কাৰ্যসূচীত বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে তেওঁ মত বিনিময় কৰিব বুলিও প্ৰকাশ কৰে।

০০০০০

কিংবদন্তি গায়িকা তথা পদ্মবিভূষণ বঁটাৰে সন্মানিত আশা ভোশলেৰ আজি ৯২ বছৰ বয়সত মুম্বাইত দেহাৱসান ঘটে। মহাৰাষ্ট্ৰৰ সাংস্কৃতিক মন্ত্ৰী আশীষ শেলাৰে কণ্ঠশিল্পীগৰাকী চিকিৎসাধীন হৈ থকা চিকিৎসালয়খনৰ প্ৰাংগণৰ পৰা সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। কাইলৈ বিয়লি ৪বজাত শিৱাজী পাৰ্কত তেওঁৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে বুকুৰ সংক্ৰমণ সম্পৰ্কীয় স্বাস্থ্যজনিত অসুবিধাৰ বাবে কালি সন্ধিয়াৰ ভাগত তেওঁক মুম্বাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কেইবাদশক ধৰি আধুনিক ভাৰতৰ সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে পৰিগণিত হৈ থকা আশা ভোশলেয়ে ৯ বছৰ বয়সত তেওঁৰ সাংস্কৃতি যাত্ৰা আৰম্ভ কৰিছিল। ১৯৪৩ চনত প্ৰথমটো গীত বাণীবদ্ধ কৰা সুকণ্ঠি গায়িকাগৰাকীয়ে পাছলৈ হিন্দী চলচ্চিত্ৰ জগতত বিশিষ্ট স্থান লাভ কৰিবলৈ সক্ষম হয়।

অভি না জাও চোড়কৰ, ইন আখো কি মস্তি, দিল চীজ ক্যা হে, পিয়া টু অৱটু আজাকে ধৰি বহু জনপ্ৰিয় হিন্দী গীতত কণ্ঠ নিগৰোৱা আশা ভোশলেয়েই বিভিন্ন ভাৰতীয় ভাষাত ১২ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰিছিল।

০০০০০

আই পি এল ক্ৰিকেটত আজি বিয়লি একানা ক্ৰিকেট ষ্টেডিয়ামত হবলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েন্স - গুজৰাট টাইটানচৰ বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ আন এখন খেলত ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগলুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দলে এতিয়ালৈ ৭খনকৈ খেল খেলিছে। ইয়াৰে ভিতৰত গুজৰাট টাইটানছে ৪খন খেলত জয়লাভ কৰাৰ বিপৰীতে লক্ষ্ণৌ ছুপাৰ জায়েন্স ৩খন খেলত জয়লাভ কৰিছে।

০০০০০

সমাপ্ত